**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 27-02-2026
**Time :** 18-00 Hrs.

***Assamese Evening Bulletin***
----------------------------

১। মিছন বসুন্ধৰাৰ তৃতীয় পৰ্যায়ৰ অধীনত আজি ৰাজ্যৰ বিভিন্ন প্ৰান্তত ৪০ হাজাৰ পৰিয়ালক ভূমিপট্টা প্ৰদান।
২। ধেমাজিত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ সংহত জিলা আয়ুক্তৰ কাৰ্যালয় উদ্বোধন।
৩। কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালৰ ডিব্ৰুগড়ৰ বগীবিলত নিৰ্মাণ কৰা সীমাশুল্ক আৰু ইমিগ্ৰেছন চৌহদ মুকলি।
*আৰু*
৪। ৰাজ্যত নতুন গ্ৰীণফিল্ড বিমান বন্দৰৰ সম্ভাৱনীয়তা জৰীপৰ বাবে আজি অসম চৰকাৰ আৰু ভাৰতীয় বিমান প্ৰাধীকৰণৰ মাজত বুজাবুজিৰ চুক্তি স্বাক্ষৰ।

ooooo

মিছন বসুন্ধৰা তৃতীয় পৰ্য্যায়ৰ অধীনত ৰাজ্য চৰকাৰে আজি সমগ্ৰ অসমৰ প্ৰায় ৪০ হাজাৰ পৰিয়াল তথা বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানক ভূমিপট্টা প্ৰদান কৰে। ইয়াৰ অংশস্বৰূপে, মাজুলীত আজি মিছন বসুন্ধৰাৰ অধীনত খিলঞ্জীয়া ভূমিহীন পৰিয়াল আৰু প্ৰতিষ্ঠানসমূহক দৰিয়াডুবিৰ পাৰৰ মাজুলী মহাবিদ্যালয় খেলপথাৰত ডিজিটেল পট্টা, আবণ্টন আৰু বন্দোবস্তিৰ পত্ৰ বিতৰণ কৰা হয়। জিলাখনৰ ৫১৯ টা বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানক পট্টা দিয়াৰ লগতে ৫ হাজাৰ ৯৩ টা পৰিয়ালক পট্টা প্ৰদান কৰা হয়।

শিৱসাগৰ যুৱদল প্ৰেক্ষাগৃহত আজি মিছন বসুন্ধৰা তৃতীয় পৰ্য্যায়ৰ অধীনত বিভিন্ন বিদ্যালয়, নামঘৰ, মন্দিৰ, মছজিদ, ক্লাব আদিকে ধৰি মুঠ ২৫৪ খন ভূমিপট্টা আনুষ্ঠানিকভাৱে বিতৰণ কৰা হয়। ভূমিপট্টা বিতৰণ কাৰ্য্যসূচীত শিৱসাগৰ সমষ্টিৰ বিধায়ক অখিল গগৈ মুখ্য অতিথি হিচাপে উপস্থিত থাকে। ভাষণ প্ৰসংগত তেওঁ চৰকাৰে ৰূপায়ণ কৰা বসুন্ধৰা আঁচনিৰ শলাগ লয় আৰু এই আঁচনিয়ে বিভিন্ন প্ৰতিষ্ঠানক আইনী স্বীকৃতি প্ৰদান কৰি উপকৃত কৰিছে বুলি উল্লেখ কৰে। অনুষ্ঠানত জিলা আয়ুক্ত মৃদুল যাদৱ আৰু থাউৰা সমষ্টিৰ প্ৰাক্তন বিধায়ক কুশল দুৱৰীকে ধৰি ভালেসংখ্যক লোক উপস্থিত থাকে।

oooo

মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি ধেমাজিত সংহত জিলা আয়ুক্তৰ কাৰ্যালয় আনুষ্ঠানিকভাৱে উদ্বোধন কৰে। মুখ্যমন্ত্ৰীগৰাকীয়ে আজি ধেমাজি, চিচিবৰ গাঁও আৰু জোনাই বিধানসভা সমষ্টিৰ ৪৪ হাজাৰ ৭শ লোকৰ মাজত মিছন বসুন্ধৰা আঁচনিৰ অধীনত ভূমিপট্টা বিতৰণ কৰে। এই উপলক্ষে জিলাখনৰ দেউৰীবিলত আয়োজিত অনুষ্ঠানত ৰাজহ আৰু দুৰ্যোগ ব্যৱস্থাপনা বিভাগৰ মন্ত্ৰী কেশৱ মহন্ত উপস্থিত থাকে।

মুখ্যমন্ত্ৰীগৰাকীয়ে শদিয়াত আজি বিয়লি ৪১৮ কোটি টকা ব্যয়সাপেক্ষে কেইবাটাও উন্নয়নমূলক প্ৰকল্পৰ উদ্বোধন আৰু আধাৰশিলা স্থাপন কৰে। ড° শৰ্মাই শদিয়াৰ অম্বিকাপুৰত ১৬০ কোটি টকা ব্যয় সাপেক্ষে নিৰ্মাণ কৰা ষষ্ঠ অসম আৰক্ষী কমাণ্ডো বাহিনীৰ কাৰ্যালয় আৰু হাস্পতাল চাৰিআলি-টুপছিঙা ঘাট সংযোগী আৰ চি চি দলংখন উদ্বোধন কৰাৰ লগতে শদিয়া চৰকাৰী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ নতুন ভৱন মুকলি কৰে। তেওঁ লগতে কাকপথাৰত বহুমুখী ইন্দোৰ ষ্টেডিয়ামৰ উন্নয়ন, ছপাখোৱাত বীৰ লাচিত ষ্টেডিয়ামৰ উন্নয়নকে ধৰি বহুকেইটা ৰাজহুৱা সা-সুবিধাৰ

উন্নীতকৰণ প্ৰকল্পৰ লগতে শক্তিখণ্ড আৰু পথ উন্নীতকৰণ প্ৰকল্পৰ আধাৰশিলা স্থাপন কৰে। অম্বিকাপুৰত এই উপলক্ষে আয়োজিত অনুষ্ঠানত সাংসদ প্ৰদান বৰুৱা আৰু স্থানীয় বিধায়ক বলিন চেতিয়া উপস্থিত থাকে।

০০০০০

কেন্দ্ৰীয় বন্দৰ, জাহাজ পৰিবহণ আৰু জলপথ মন্ত্ৰালয়ৰ অধীনৰ  অন্তৰ্দেশীয় জলপথ প্ৰাধীকৰণৰ উদ্যোগত ডিব্ৰুগড়ৰ বগীবিলত নিৰ্মাণ কৰা সীমাশুল্ক আৰু ইমিগ্ৰেছন চৌহদ আজি কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালে উদ্বোধন কৰে। মন্ত্ৰীগৰাকীয়ে লগতে ডিব্ৰুগড় চহৰৰ মাজমজিয়াত নতুন ৰূপত নিৰ্মাণ কৰা ঐতিহ্য ভৱনটোও মুকলি কৰে। এই উপলক্ষে আজি ডিব্ৰুগড়ৰ চৌকিদিঙি খেলপথাৰত আয়োজিত অনুষ্ঠানত পৰিবহন মন্ত্ৰী চৰণ বড়ো, স্থানীয় বিধায়ক তথা মন্ত্ৰী প্ৰশান্ত ফুকন, যোগেন মহন, বিমল বৰা, ৰূপেশ গোৱালাকে ধৰি ডিব্ৰুগড় আৰু তিনিচুকীয়া জিলাৰ বিধায়ক তথা সংশ্লিষ্ট বিভাগৰ শীৰ্ষ বিষয়াসকল উপস্থিত থাকে। শ্ৰী সোণোৱালে এই অনুষ্ঠানৰ পৰাই ধুবুৰীৰ সীমাশুল্ক আৰু ইমিগ্ৰেছন চৌহদো উদ্বোধন কৰে।  এই প্ৰকল্পসমূহে অসমসহ সমগ্ৰ উত্তৰ-পূৰ্বাঞ্চলৰ বাণিজ্য, পৰ্যটন আৰু যোগাযোগ ব্যৱস্থা অধিক সুদৃঢ় কৰিব বুলি আশা কৰা হৈছে।

০০০০০

জনতাৰ প্ৰাণৰ শিল্পী জুবিন গাৰ্গৰ ৰহস্যজনক মৃত্যুৰ ঘটনাক  লৈ ৰাজ্যজুৰি বিভিন্ন পক্ষৰ মাজত প্ৰতিক্ৰিয়া অব্যাহত আছে।  ইয়াৰ মাজতে কালি অসম মন্ত্ৰীসভাৰ বৈঠকত জুবিন গাৰ্গৰ মৃত্যুৰ গোচৰৰ দ্ৰুত নিষ্পত্তিৰ বাবে ফাষ্ট ট্ৰেক আদালত গঠনৰ সিদ্ধান্ত গ্ৰহণ কৰা হৈছে। কিন্তু ৰাজ্য চৰকাৰে জুবিন গাৰ্গৰ মৃত্যুক লৈ ৰাজনীতি কৰা বুলি অসম জাতীয় পৰিষদকে ধৰি ৰাজ্যৰ একাংশ ৰাজনৈতিক দলে অভিযোগ কৰি আহিছে। জুবিন ক্ষেত্ৰৰ নিৰ্মাণ আজি পৰ্যন্ত নোহোৱাত চৰকাৰ সমালোচনাৰ সন্মুখীন হৈছে। মন্ত্ৰী বিমল বৰাই আজি এই সন্দৰ্ভত কয় যে জুবিন ক্ষেত্ৰ নিৰ্মাণ সন্দৰ্ভত গঠিত সমিতিখনে প্ৰতিবেদন দাখিল কৰাৰ পাছতে ৰাজ্য চৰকাৰে নিৰ্মাণকাৰ্য আৰম্ভ কৰিব। সমিতিখনে জুবিন ক্ষেত্ৰ নিৰ্মাণৰ সকলো বিষয় অধ্যয়ন কৰি থকা বুলি তেওঁ কয়।

০০০০০

ৰাজ্যত নতুন গ্ৰীণফিল্ড বিমান বন্দৰৰ সম্ভাৱনীয়তা জৰীপৰ বাবে আজি অসম চৰকাৰ আৰু ভাৰতীয় বিমান প্ৰাধীকৰণৰ মাজত এখন বুজাবুজিৰ চুক্তি স্বাক্ষৰ কৰা হ'ব। দিছপুৰৰ লোকসেৱা ভৱনৰ সংবাদ সন্মিলন কক্ষত সন্ধিয়া আয়োজিত অনুষ্ঠানত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা অতিথি হিচাপে উপস্থিত থাকিব। গ্ৰীণফিল্ড বিমান বন্দৰৰ বাবে মানস ৰাষ্ট্ৰীয় উদ্যান অঞ্চল, উমৰাংছু, মাজুলী আৰু ডিফুৰ নাম প্ৰস্তাৱ কৰা হৈছে। এই চুক্তিয়ে আঞ্চলিক বিমান যোগাযোগ ব্যৱস্থাৰ সৰলীকৰণ, পৰ্যটন খণ্ডৰ বিকাশ আৰু অৰ্থনৈতিক উন্নয়নৰ প্ৰসাৰ আৰু বাণিজ্যিক সুযোগ বৃদ্ধি তথা কৌশলগত সংযোগৰ সুচলকৰণ সুনিশ্চিত কৰিব।

০০০০০

যোৰহাট জিলা আয়ুক্তৰ কাৰ্য্যালয়ৰ সভাগৃহত জিলা আয়ুক্ত জয় শিৱাণীৰ অধ্যক্ষতাত ৰাষ্ট্ৰীয় খাদ্য তেল অভিযান - পামতেলৰ অধীনত জিলা পৰ্য্যায়ৰ প্ৰকল্প ব্যৱস্থাপনা দলৰ এখন সভা অনুষ্ঠিত হয়।

এই আঁচনিৰ অধীনত পাম তেলৰ খেতি কৰিবলৈ আগ্ৰহ প্ৰকাশ কৰা হিতাধিকাৰী কৃষকসকলৰ তালিকা পৰ্য্যালোচনা আৰু অনুমোদন জনোৱাৰ বাবে এই সভাৰ আয়োজন কৰা হয়। সভাত জিলা পৰিষদৰ মুখ্য কাৰ্য্যবাহী বিষয়াৰ লগতে প্ৰকল্প ব্যৱস্থাপনা দলৰ অন্যান্য সদস্য আৰু সংশ্লিষ্ট বিভাগৰ বিষয়াসকল উপস্থিত থাকে।

০০০০০

চৰাইদেউ জিলাৰ সোণাৰী আৰক্ষী থানাৰ চৌহদত আজি আৰক্ষী কৰ্মচাৰীসকলৰ বাবে নৱ-নিৰ্মিত এটা উন্নত মানৰ আৱাসগৃহ বিধায়ক ধৰ্মেশ্বৰ কোঁৱৰে মুকলি কৰে। প্ৰায় ৭ কোটি ৫০ লাখ টকা ব্যয় সাপেক্ষে নিৰ্মাণ কৰা এই অত্যাধুনিক আৱাসগৃহটো উদ্বোধন কৰি বিধায়কগৰাকীয়ে কয়, যে আৰক্ষীসকলে দিনে-নিশাই জনসাধাৰণৰ সুৰক্ষাৰ

বাবে কাম কৰে। তেওঁলোকৰ বাবে এটা উন্নত বাসগৃহৰ অতি প্ৰয়োজন। এই নতুন আৱাস গৃহটোৰ জৰিয়তে কৰ্তব্যৰত আৰক্ষীসকল বিশেষভাৱে উপকৃত হ'ব বুলিও তেওঁ প্ৰকাশ কৰে।

-বাইট (ধৰ্মেশ্বৰ কোঁৱৰ)-

উদ্বোধনী অনুষ্ঠানত বিধায়কগৰাকীৰ লগতে চৰাইদেউ জিলাৰ আয়ুক্ত ডাঃ নেহা যাদৱ, অধীক্ষক সুৰজিৎ সিং পানেশ্বৰৰ লগতে জিলা প্ৰশাসন আৰু আৰক্ষী বিভাগৰ কেইবাজনো উচ্চপদস্থ বিষয়া-কৰ্মচাৰী উপস্থিত থাকে।

০০০০০

গোলাঘাট জিলাৰ মেৰাপানীত ধনদাবীৰ অভিযোগত এটা সংগঠনৰ তিনিজন সদস্যক আজি আৰক্ষীয়ে আটক কৰে। আটকাধীন সদস্যকেইজনক মেৰাপানী আৰক্ষী থানাৰ সমীপৰ এখন ফাৰ্মাচীত ধনদাবীৰ অভিযোগত আৰক্ষীয়ে আটক কৰে। অভিযোগ অনুসৰি, মেৰাপানীৰ এখন ঔষধৰ দোকানত সংগঠনটোৰ সদস্যকেইজনে ৫০ হাজাৰ টকাৰ দাবী কৰাত সত্বাধিকাৰী পলাশ ফুকনে এই সন্দৰ্ভত মেৰাপানী আৰক্ষীৰ ওচৰত লিখিত অভিযোগ দাখিল কৰে। এই অভিযোগৰ ভিত্তিতেই অভিযান চলাই আৰক্ষীয়ে লোককেইজনক আটক কৰিবলৈ সমৰ্থ হয়। ঘটনা সন্দৰ্ভত অধিক তদন্তৰ বাবে আৰক্ষীয়ে জেৰা অব্যাহত ৰাখিছে।

০০০০০

নুমলীগড় শোধনাগাৰ লিমিটেডৰ কৰ্পোৰেট সামাজিক দায়বদ্ধতা আঁচনিৰ অধীনত গাঁঠনিগত দক্ষতা বিকাশ পদক্ষেপৰ প্ৰথমটো প্ৰকল্প কালি মাজুলীত সফলতাৰে সমাপ্ত হয়। ২০২৫ চনৰ ছেপ্তেম্বৰৰ পৰা ২০২৬ চনৰ ফেব্ৰুৱাৰীলৈকে অনুষ্ঠিত এই ছমহীয়া আবাসীক প্ৰশিক্ষণ কাৰ্যসূচীত ৰাজ্যখনৰ ৬০ জনৰো অধিক প্ৰশিক্ষাৰ্থীক গেছ প্লাম্বিঙৰ ব্যৱহাৰিক দক্ষতাৰ প্ৰশিক্ষণ প্ৰদান কৰা হয়। এই প্ৰচেষ্টাই প্ৰশিক্ষাৰ্থীসকলক মহানগৰৰ গেছ বিতৰণ খণ্ডত নিয়োজিত হোৱাত সহায় কৰিব বুলি আশা কৰা হৈছে।

০০০০০

**সমাপ্ত**